## শিকনৰ ফলাফলৰ ধূসৰ ক্ষেত্ৰসমূহৰ বিকাশ সাধনৰ বাবে প্ৰস্তুত কৰা মুক্ত শৈক্ষিক সমল

**শ্ৰেণী ঃ দ্বিতীয়　　বিষয় ঃ ভাষা-১ (অসমীয়া)　　তৃতীয় সাময়িকী (আগষ্ট, ছেপ্তেম্বৰ), ২০১৮ ইং**

**শিকনৰ ফলাফলৰ ধূসৰ ক্ষেত্ৰ (Grey Area) - লিখন কৌশল (গুণোৎসৱ-২০১৭ ৰ ফলাফল অনুসৰি)**

**শিকনৰ ফলাফলৰ উপক্ষেত্ৰ ঃ**

ক) শুদ্ধ বানান

- ➩ ছাত্ৰ-ছাত্ৰীয়ে ছবি চাই বাক্য লিখিব পাৰিব।
- ➩ ছাত্ৰ-ছাত্ৰীয়ে অংশীদাৰী লিখন কৰিব পাৰিব।

খ) শুদ্ধ লিখন (যুক্তাক্ষৰ)

- ➩ ছাত্ৰ-ছাত্ৰীয়ে যুক্তাক্ষৰ ভাঙিব আৰু গঠন কৰি লিখিব পাৰিব।

**শৈক্ষিক দিনপঞ্জী অনুসৰি তৃতীয় সাময়িকী (আগষ্ট-ছেপ্তেম্বৰ) লৈকে জড়িত পাঠ্যপুথিৰ পাঠসমূহ ঃ**

| | | |
|---|---|---|
| ক) চাফ-চিকুণতা | - | পাঠ নং ৯ |
| খ) বেলি আৰু বতাহ | - | পাঠ নং ১০ |
| গ) ৰান্ধনিঘৰৰ আলাপ | - | পাঠ নং ১১ |
| ঘ) আমাৰ দিৱস | - | পাঠ নং ১২ |

**পাতনি ঃ**

এই সমলসামগ্ৰীত "শিক্ষাৰ অধিকাৰ আইন - ২০০৯" অনুসৰি জাতি, ধৰ্ম, বৰ্ণ, ভাষা, লিংগ আৰু বিশেষভাৱে সক্ষম শিশু নিৰ্বিশেষে সকলো শিশুৰ প্ৰতি সম আচৰণ দেখুওৱা আৰু সকলোৰে বাবে বাধ্যতামূলক প্ৰাথমিক শিক্ষা নিশ্চিত কৰাৰ প্ৰতি দৃষ্টি ৰখা হৈছে।

বিভিন্ন তথ্য পৰ্যৱেক্ষণ কৰি দেখা গৈছে যে, লিখন কৌশল আহৰণত প্ৰাথমিক বিদ্যালয়ৰ বহু সংখ্যক ছাত্ৰ-ছাত্ৰী এতিয়াও পাছ পৰি আছে। দ্বিতীয় শ্ৰেণীৰ কিছুমান ছাত্ৰ-ছাত্ৰীয়ে এতিয়াও অসমীয়া বৰ্ণমালা আৰু যুক্তাক্ষৰ চিনি নাপায়, শুদ্ধকৈ লিখিব নোৱাৰে আৰু সৰু সৰু বাক্য পঢ়িব লগতে লিখিব নোৱাৰে। লিখন হৈছে মাতৃভাষা শিক্ষাদানৰ আটাইকেইটা কৌশলৰ ভিতৰত অন্যতম প্ৰধান কৌশল। এই লিখন কৌশল আয়ত্তকৰণৰ ক্ষেত্ৰত বাধা দিয়া ধূসৰ ক্ষেত্ৰসমূহ চিনি উলিয়াই ছাত্ৰ-ছাত্ৰীৰ উক্ত দিশসমূহৰ বিকাশৰ বাবে বিশেষ যত্ন লোৱাৰ প্ৰয়োজন আহি পৰিছে। ইয়াৰ বাবে যথেষ্ট অনুশীলনৰ আৱশ্যক। পাঠ্যপুথিত উল্লেখ থকা অনুশীলনী বা ক্ৰিয়া-কলাপৰ উপৰি আমি শিক্ষকসকলে নিজে কিছুমান লিখন কাৰ্য ছাত্ৰ-ছাত্ৰীক কৰিবলৈ দিব পাৰোঁ। মুঠতে ছাত্ৰ-ছাত্ৰীয়ে বৰ্ণ, যুক্তাক্ষৰ, বাক্য আৰু যতি চিহ্নৰ সঠিক প্ৰয়োগ কৰি লিখিব পাৰিব লাগিব। এইক্ষেত্ৰত ছাত্ৰ-ছাত্ৰীৰ প্ৰণালীবদ্ধ লিখন কৌশল আয়ত্তকৰণত সহায়ক হ'ব পৰাকৈ আমি শিক্ষক হিচাপে কৰিব পৰা শিকন পৰিকল্পনা আৰু ক্ৰিয়া-কলাপেৰে এই গোটটো প্ৰস্তুত কৰা হৈছে।

**ওপৰত উল্লিখিত শিকনৰ ফলাফলসমূহৰ গুৰুত্ব অপৰিসীম -**

- ➩ মাতৃভাষাৰ ভেটি সুদৃঢ় কৰাৰ লগতে অন্যান্য বিদ্যায়তনিক বিষয়সমূহো শিকিবলৈ লিখন অৰ্হতাৰ প্ৰয়োজন।
- ➩ বৰ্ণসমূহ সঠিক আকৃতিৰে লিখা আৰু সেই বৰ্ণ বা আখৰ লগলগাই শব্দ গঠন কৰাৰ কৌশল আৰু সেই শব্দবোৰক বাক্যত প্ৰয়োগ কৰাৰ কৌশল আয়ত্ত কৰিব পাৰিব। শ্ৰুতলিপিৰ যোগেদি উচ্চাৰণ শুনি শুদ্ধকৈ শব্দ আৰু বাক্য লিখিবলৈ শিকিব। লাহে লাহে ছাত্ৰ-ছাত্ৰীসকলে নিজৰ বিষয়ে আৰু ছবি চাই কাহিনী লিখিবলৈ চেষ্টা কৰিব।

**এই সমল সামগ্ৰীৰ পৰা শিক্ষক হিচাপে আমি কি শিকিব পাৰিম ?**

এই সমলটো অধ্যয়নৰ দ্বাৰা ছাত্ৰ-ছাত্ৰীৰ লিখন কৌশল বিকাশৰ বাবে শিক্ষক হিচাপে আমাৰ সহায়ক হ'ব—

- ⇨ নতুন নতুন উদ্ভাৱনীমূলক ক্ৰিয়া-কলাপ, অনুশীলন পৰিকল্পনা কৰিব পৰা হ'ব।
- ⇨ ছাত্ৰ-ছাত্ৰীৰ অভ্যাস অনুশীলনৰ যোগেদি লিখনৰ ধূসৰ ক্ষেত্ৰসমূহ চিনাক্ত কৰি সেই দুৰ্বলতা দুৰ কৰাৰ চেষ্টা কৰিব লাগিব।
- ⇨ ছাত্ৰ-ছাত্ৰীৰ বিকাশৰ সৈতে তুলনা কৰি শিক্ষকৰ স্ব-মূল্যায়ন আৰু নতুন নতুন চিন্তাৰ লগতে ক্ৰিয়া-অনুশীলনীৰে শ্ৰেণীকোঠাসমূহ অধিক গতিশীল কৰাৰ প্ৰয়াস কৰিব পৰা হ'ব।

**লিখন কৌশল বিকাশৰ ব্যৱস্থাৱলী ঃ**

**শুদ্ধ বানান ঃ**

অংশীদাৰী লিখনৰ বাবে —ছবি চাৰ্ট, ছবি কাৰ্ড (বিভিন্ন কাৰ্যৰ)

যতি চিহ্নৰ বাবে — সংলাপ কাৰ্ড, বাক্য কাৰ্ড, সৰু নাটিকা ইত্যাদি।

যুক্তাক্ষৰ ঃ উদ্ভিদ, স্বাধীন, ইচ্ছা, কুম্ভ, শক্তি, নিশ্চয়, বিভিন্ন, বাল্টি ইত্যাদি।

ওপৰত উল্লেখ কৰা শব্দ, বাক্য আৰু যুক্তাক্ষৰসমূহ সন্নিৱিষ্ট হৈ থকা পাঠ হ'ল — ৯, ১০, ১১, ১২

**এই সমলটোত ছাত্ৰ-ছাত্ৰীৰ সৈতে কৰিবলগীয়া শিক্ষণ-শিকন প্ৰক্ৰিয়াৰ এটা আৰ্হিমূলক ৰূপৰেখা সংক্ষেপতে উপস্থাপন কৰা হ'ল -**

| মুক্ত শৈক্ষিক সমল - ভাষা (অসমীয়া) | | | | |
|---|---|---|---|---|
| **শিকনৰ ফলাফল** | **সামগ্ৰী** | **শিকন প্ৰক্ৰিয়া** | **প্ৰশ্নাৱলী** | **মূল্যায়ন** |
| ক) ছবি চাই বাক্য লিখিবলৈ সক্ষম হোৱা। | ⇨ছবি চাৰ্ট<br>⇨ছবি কাৰ্ড | ক্ৰিয়া-কলাপ | ১) ছবিখন চাই একোটাকৈ বাক্য লিখা।<br>  <br>২) নিজৰ বিষয়ে ৪ টা বাক্য লিখা। | অবিৰত আৰু সামগ্ৰিক মূল্যায়ন |
| খ) যুক্তাক্ষৰ বাছি উলিয়াই ভাঙিব পৰা। | ⇨বৰ্ণ কাৰ্ড,<br>⇨যুক্তাক্ষৰ কাৰ্ড | ক্ৰিয়া-কলাপ | ১)তলৰ শব্দকেইটাৰ পৰা যুক্তাক্ষৰ বাছি উলিয়াই ভাঙা—<br>উদ্ভিদ, ইচ্ছা, শান্তি, কুম্ভ, শক্তি। | |
| গ) যুক্তাক্ষৰ গঠন কৰিব পৰা। | ⇨বৰ্ণ কাৰ্ড | ক্ৰিয়া-কলাপ | ১)যুক্তাক্ষৰ গঠন কৰা—<br>ক + ত =    ন + ট =<br>ক + ৰ =    ল + ট =<br>ম + ভ =    ঞ + জ =<br>হ + য় =    শ + ৱ = | |

**ক্ষেত্ৰ অধ্যয়ন ঃ** (Case Study)

নিজৰা দেৱী যোৰহাট চহৰৰ ওচৰৰ গাঁৱৰ বিদ্যালয় এখনলৈ বদলি হৈ অহা শিক্ষয়িত্ৰী। তেখেতে বিদ্যালয় খনলৈ আহি প্ৰথমতেই দ্বিতীয় শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীসকলক প্ৰত্যেককে নিজৰ নিজৰ বিষয়ে পাঁচ শাৰীকৈ বাক্য লিখিব দিলে। কিন্তু বেছি ভাগ ছাত্ৰ-ছাত্ৰীয়ে অকল নিজৰ নামটোৰ বাহিৰে একোকেই চিন্তা কৰি লিখিব নোৱাৰিলে। তেতিয়া নিজৰা বাইদেউৱে ৩/৪ দিন সময় লৈ ছাত্ৰ-ছাত্ৰীসকলক নিজৰ চিন্তা চৰ্চাৰে পাঠ্যপুথিৰ বাহিৰেও অন্যান্য সমলেৰে কি কৰিলে সেই কথা তেওঁৰ পৰাই শুনোঁ আহঁকচোন—

মই নিয়মিতভাৱে বাতৰি-কাকত, আলোচনী আদিত থকা ৰঙচঙীয়া ছবি, শিশু উপযোগী বিজ্ঞাপন (বিভিন্ন উৎসৱ, মেলা, দিৱস, গাঁও, জীৱ-জন্তু, পাৰ্ক) আদিৰ ছবি কাটি সংগ্ৰহ কৰি কাৰ্ড সজাই ললোঁ।

**প্ৰস্তুতি ঃ**

➡ ছবি চাৰ্ট, চাৰ্ট পেপাৰ, স্কেল, পেঞ্চিল আদি

ছাত্ৰ-ছাত্ৰীসকলক ৫/৬ জনীয়া দলত ভাগ কৰি প্ৰত্যেক দলকে একোখনকৈ ছবি দি কিছুসময়ৰ বাবে একেলগে দলত আলোচনা কৰিবলৈ দিলোঁ। প্ৰত্যেক দলৰ সদস্যসকলে দলত পোৱা ছবিখন নিৰীক্ষণ কৰি পাঁচটা বাক্য লিখিব। আটাইকেইটা দলে লিখি শেষ কৰাৰ পাছত তেওঁলোকে দলত কি কি লিখিলে দলৰ প্ৰত্যেকজন সদস্যই একোটাকৈ বাক্য কৈ গৈছিল আৰু মই শুদ্ধকৈ বোৰ্ডত লিখি গৈছিলোঁ। তেওঁলোকৰ প্ৰত্যেকৰে নিজৰ ভাগত পৰা ছবিখনৰ বিষয়ে লিখি কথাখিনিৰ ওপৰত ছবিখন আঁকি দিছিলোঁ। শেষত ছাত্ৰ-ছাত্ৰীসকলক নিজৰ নিজৰ বহীত বোৰ্ডত লিখা কথাখিনি লিখি ল'বলৈ দিছিলোঁ। এইদৰে প্ৰতিটো দলেই লিখাখিনি প্ৰতিজন সদস্যই পঢ়ি গৈছিল আৰু মই শুদ্ধকৈ লিখি গৈছিলোঁ। শেষত আটাইয়ে নিজৰ নিজৰ বহীত নিজৰ দলৰ ছবিখনৰ অনুসৰি কথাখিনি লিখিবলৈ সক্ষম হৈছিল।

'এইদৰে মই দলত ছাত্ৰ-ছাত্ৰীসকলক অংশীদাৰী লিখন কৰোঁৱাৰ ফলত সিহঁতে ছবি চাই চিন্তা কৰি লিখিবলৈ সক্ষম হ'ল।'

***বিঃদ্ৰঃ** নিজৰা দেৱীয়ে শ্ৰেণীত কম দেখা ছাত্ৰগৰাকীৰ প্ৰতিও বিশেষ গুৰুত্ব দিছিল।*

**চিন্তা কৰি চাওঁ আহক ঃ**

⇨ নিজৰা দেৱীয়ে ছাত্ৰ-ছাত্ৰীসকলক অংশীদাৰী লিখনৰ দ্বাৰা লিখন অৰ্হতা আয়ত্ত কৰোঁৱাৰ বাহিৰেও আন কি উপায় অৱলম্বন কৰিব পাৰিলেহেঁতেন?

⇨ ক্ৰিয়া-কলাপটোত যে সকলো ছাত্ৰ-ছাত্ৰীয়ে সমানে অংশগ্ৰহণ কৰিছে সেইটো নিশ্চিত হ'ব পাৰিনে?

⇨ নিজৰা দেৱীয়ে কৰা ক্ৰিয়া-কলাপৰ বাবে সামগ্ৰী প্ৰস্তুত কৰোঁতে পাঠ্যপুথিৰ বাহিৰেও বাতৰি-কাকত, আলোচনী, বিজ্ঞাপনৰ সহায় কিয় লৈছিল?

ওপৰত বৰ্ণনা কৰা ক্ৰিয়া-কলাপৰ আলমত তলত দিয়া ধৰণে আমি আমাৰ শ্ৰেণীকোঠাত পাঠভিত্তিক ক্ৰিয়া-কলাপ কৰি চাওঁ আহক—

**ক্ৰিয়া-কলাপ -১**

ছবি চাই বাক্য লিখিব পৰা

ছাত্ৰ-ছাত্ৰীসকলক কিছুসময়ৰ বাবে শ্ৰেণীকোঠাৰ বাহিৰলৈ লৈ গৈ বাহিৰত কি কি দেখিছে, দেখাৰ পিছত কেনেকৈ সেইবোৰৰ বিষয়ে ক'ব লাগে, কেনেকৈ চিন্তা কৰিব লাগে আৰু প্ৰকাশ কৰিব লাগে কিছুসময় আলোচনা কৰাৰ পিছত পুনৰ শ্ৰেণীকোঠালৈ আহি পাঠ্যপুথিৰ পাঠ নং ৯ ত থকা 'চাফ-চিকুণতা' পাঠটি প্ৰত্যেককে কিছুসময় ভালদৰে পৰ্যৱেক্ষণ কৰিবলৈ দিয়া হ'ব। ছাত্ৰ-ছাত্ৰীসকলে ছবি দুখন ভালদৰে চোৱাৰ পিছত ছবিখনত কি দেখিছে ক'বলৈ দিব লাগে। তাৰ পিছত ছাত্ৰ-ছাত্ৰীসকলক দলগতভাৱে ছবি দুখনৰ পৰা ২ টা বা ৩ টা শব্দৰ বাক্য ২, ৩ শাৰী লিখিবলৈ দিব। কোনোবা ছাত্ৰ-ছাত্ৰীয়ে নোৱাৰিলে শিক্ষকে নিৰীক্ষণ কৰিব, লগতে সহায় কৰিব। এইদৰে লিখাৰ পিছত সকলোৰে লিখাবিলাক শুদ্ধ হৈছে নে নাই চাম। ভুল কৰা সকলক পুনৰ ছবিখন চাবলৈ দি সৰু সৰু বাক্য লিখিবলৈ দিম। বাৰে বাৰে লিখিবলৈ দিয়াৰ পিছত ছাত্ৰ-ছাত্ৰীসকলে ছবি চাই সৰু বাক্য লিখিব পাৰিব। এইদৰে কৰাৰ পিছত মূল্যায়নৰ বাবে ছাত্ৰ-ছাত্ৰীসকলক এটা কাৰ্যৰ ছবি এখন এখনকৈ চাবলৈ দি ছবিখনত কি কাৰ্য কৰা দেখিছে সেই বিষয়ে বোৰ্ডত লিখিবলৈ দিম। ছবিসমূহ এনেধৰণৰ —






**ক্ৰিয়া-কলাপ ঃ ২**

যুক্তাক্ষৰৰ আকৃতি চিনি পাই ভাঙিব আৰু জোৰা লগাব পাৰিব।

ছাত্ৰ-ছাত্ৰীৰ মনত যুক্তাক্ষৰ সমূহৰ আকৃতিৰ সাঁচ বহুৱাবৰ বাবে দ্বিতীয় শ্ৰেণীৰ পাঠসমূহ লোৱা হৈছে। পাঠ নং ৯ ৰ পৰা ১১ নং পাঠত থকা ষ্ক, স্ব, ড্ড, ন্ত, ন্ট, ল্ট, ব্ব যুক্তাক্ষৰকেইটাৰ বৰ্ণ কাৰ্ড আৰু যুক্তাক্ষৰ কাৰ্ড আমি শিক্ষকসকলে আগতীয়াকৈ তৈয়াৰ কৰি ল'ম। ছাত্ৰ-ছাত্ৰীসকলক যুৰীয়াভাৱে দল গঠন কৰি কেইটামান যুক্তাক্ষৰ ভাঙিবলৈ দিম। নিৰ্দ্দিষ্ট যুক্তাক্ষৰটো হ'বলৈ কি কি বৰ্ণ লগ লাগিব ছাত্ৰ-ছাত্ৰীসকলে বৰ্ণ কাৰ্ডৰ জৰিয়তে চাই বহীত লিখিব। এইদৰে প্ৰতিটো দলেই নিজৰ ভাগত পৰা যুক্তাক্ষৰকেইটা ভাঙিবলৈ চেষ্টা কৰিব। এইদৰে যুক্তাক্ষৰ ভঙাৰ পিছত ছাত্ৰ-ছাত্ৰীসকলে দলত পুনৰ যুক্তাক্ষৰ গঠন কৰিব। নিৰ্দ্দিষ্ট বৰ্ণকেইটাৰে কি কি যুক্তাক্ষৰ হ'ব ছাত্ৰ-ছাত্ৰীসকলে বহীত লিখি শিক্ষকক দেখুৱাব। এইদৰে যুক্তাক্ষৰ ভঙা আৰু জোৰা লগোৱা ক্ৰিয়া-কলাপ বহুবাৰ কৰোৱাব পিছত ছাত্ৰ-ছাত্ৰীসকলক শিক্ষকে এজন এজনকৈ মাতি আনি বোৰ্ডত একোটাকৈ যুক্তাক্ষৰ ভাঙিবলৈ আৰু জোৰা লগাবলৈ দিব। গৃহকৰ্ম হিচাপে যুক্তাক্ষৰ ভাঙিবলৈ আৰু জোৰা লগাবলৈ উৎসাহিত কৰিব। ভুল হ'লে শিক্ষকে বোৰ্ডত লিখি বুজাব।

***বিঃদ্ৰঃ শ্ৰেণীকোঠাত থকা বিশেষভাৱে সক্ষম ছাত্ৰ-ছাত্ৰীৰ প্ৰতি বিশেষ গুৰুত্ব দিব লাগিব।***

⇨ *লিখন কৌশল বিকাশৰ বাবে আটাইতকৈ প্ৰভাৱশালী ক্ৰিয়া-কলাপ হৈছে শ্ৰুতলিপি। সেইবাবে আমি শিক্ষক হিচাপে শ্ৰেণীকোঠাত পাৰ্যমানে শ্ৰুতলিপি অনুশীলন কৰাব পাৰোঁ।*

**সাৰাংশ ঃ**

ছাত্ৰ-ছাত্ৰীসকলে এই ধৰণৰ ক্ৰিয়া-কলাপসমূহৰ দ্বাৰা শুদ্ধ বানান আৰু লিখনৰ প্ৰতি আগ্ৰহান্বিত হ'ব। দলীয়, যুৰীয়া আৰু ব্যক্তিগতভাৱে শব্দ গঠন কৰা, ছবি চাই লিখিব পৰা আৰু যুক্তাক্ষৰ ভঙা আৰু জোৰা লগোৱা কামৰ সুযোগ লাভ কৰিব। বাৰে বাৰে বোৰ্ডত অনুশীলন আৰু অভ্যাস কৰাৰ ফলত ছাত্ৰ-ছাত্ৰীয়ে লিখন কৌশল আয়ত্ত কৰিবলৈ সক্ষম হ'ব।

লিখন কৌশল আয়ত্ত কৰাবলৈ হ'লে ছাত্ৰ-ছাত্ৰীক পৰ্যাপ্ত অনুশীলন কৰোৱা দৰকাৰ। প্ৰথমে বৰ্ণ আৰু যুক্তাক্ষৰৰ শুদ্ধ ধাৰণা দিয়াত গুৰুত্ব আৰোপ কৰিব লাগে। ইয়াৰ বাবে শিক্ষক-শিক্ষয়িত্ৰীয়ে বিভিন্ন ক্ৰিয়া-কলাপ কৰিব পৰাকৈ পৰিকল্পনা কৰি শিক্ষণ-শিকন সামগ্ৰী প্ৰস্তুত কৰি ল'ব লাগিব । এইদৰে প্ৰথম আৰু দ্বিতীয় শ্ৰেণীৰ পৰাই সৰু সৰু আৰু সহজ শব্দ গঠন কৰিবলৈ শিকাব লাগে। শব্দ গঠনৰ পাছত লাহে লাহে ছাত্ৰ-ছাত্ৰীসকলক চিন্তা কৰি সহজ-সৰল বাক্য গঠন কৰাৰ অনুশীলন কৰাব লাগে। পৰ্যাপ্ত শ্ৰুতলিপি অনুশীলনৰ সুযোগ দিব লাগে। বানান শুদ্ধকৈ লিখিবলৈ হ'লে যুক্তাক্ষৰ, যতি বিৰাম চিহ্নৰ সঠিক জ্ঞান থকাৰ লগতে বৰ্ণৰ আকৃতিৰ জ্ঞানো থাকিব লাগিব।

**দৃঢ়ীকৰণ ঃ**

ছাত্ৰ-ছাত্ৰীৰ লিখন দক্ষতাৰ দৃঢ়ীকৰণৰ বাবে তলত দিয়া অনুশীলনীবোৰ কৰি চাওঁ আহক —

ক) তলত দিয়া বিষয় কেইটাৰ ওপৰত ২/৩ টা সৰল শব্দৰে তিনিশাৰীকৈ বাক্য লিখা।

কিতাপ, ফুল , মা

খ) তলৰ যুক্তাক্ষৰকেইটাৰে একোটাকৈ শব্দ লিখা।

ক্ত =

শ্চ =

ন্ন =

ন্দ =

গ) তলৰ শব্দকেইটাৰ পৰা যুক্তাক্ষৰ বাছি উলিয়াই ভাঙা।

সম্ভৱ, বিক্ৰম, ভাণ্ডাৰ, বেডমিন্টন, পল্টন।

ঘ) ছবিকেইখন চাই একোটাকৈ বাক্য লিখা।

  

**ছাত্ৰ-ছাত্ৰীৰ বাবে অনুশীলনঃ**

১) প্ৰশ্ন ঃ তলত দিয়া বিষয়কেইটাৰ ওপৰত তিনি শাৰীকৈ বাক্য লিখা।

চাফ-চিকুণতা, নিজৰ বিষয়ে

২) প্ৰশ্ন ঃ তলৰ বাক্যকেইটা দাড়ি, কমা প্ৰয়োগেৰে সম্পূৰ্ণ কৰা—

ক)মই সদায় বিদ্যালয়লৈ যাওঁ

খ)তোমাৰ নাম কি

গ) আমাৰ ঘৰত আম কঁঠাল লেটেকু কল আৰু কমলাৰ গছ আছে

ঘ) বাঃ ইমান বিলাক ফল আছে

৩) তলত দিয়া শব্দকেইটাৰ পৰা যুক্তাক্ষৰটো বাছি উলিয়াই ভাঙা—

আনন্দ, নিশ্চয়, বিভিন্ন, উদ্ভিদ, বাল্টি

৪) যুক্তাক্ষৰ গঠন কৰা —

| | |
|---|---|
| ক + ত = | ন + ট = |
| ক + ৰ = | ল + ট = |
| ম + ভ = | ঞ + জ = |
| হ + য় = | শ + ৰ = |

**প্ৰসঙ্গ পুথি ঃ**

⇨ পাঠ্যপুথি - অংকুৰণ

⇨ অসমীয়া ব্যাকৰণ প্ৰৱেশ - ড°গোলোক চন্দ্ৰ গোস্বামী।

⇨ চন্দ্ৰকান্ত অভিধান।

****